NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰ্থ-সামাজিক বিকাশৰ চালিকা শক্তি হিচাপে বিমষ্টেকৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছে।

২। কেন্দ্ৰীয় উত্তৰ পূব উন্নয়ন আৰু যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, প্ৰধানমন্ত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক দেশৰ প্ৰগতিৰ প্ৰৱেশ দ্বাৰ হিচাপে গণ্য কৰে।

৩। চৰকাৰে প্ৰতি বছৰে ২৫ জুনৰ দিনটো সংবিধান হত্যা দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, দেশত ইতিবাচক শাসনৰ বাবেই বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে বৃহৎ পৰিৱৰ্তনৰ সূচনা হৈছে।

***আৰু***

৫। কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত অহা ৩০ জুলাইৰ পৰা ২৫ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সুশৃংখলিত আৰু নিৰাপদ বিমষ্টেক অঞ্চলৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিৰদ্ধতা পুনৰ প্ৰকাশ কৰি আৰ্থ-সামাজিক বিকাশৰ চালিকা শক্তি হিচাপে বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা উদ্যম বিমষ্টেকৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছে। বিমষ্টেকৰ সদস্য ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলৰ সৈতে যোগাযোগ, শক্তি, বাণিজ্য, স্বাস্থ্য, কৃষি, বিজ্ঞান, সুৰক্ষা আৰু অঞ্চলটোৰ জনসাধাৰণৰ মাজত বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত আঞ্চলিক সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ে ফলপ্ৰসূ আলোচনাত মিলিত হয়। শ্ৰীমোদীয়ে ভাৰতৰ প্ৰতিৱেশী প্ৰথম, লুক-ইষ্ট নীতি তথা সাগৰ দৃষ্টিভংগীত বিমষ্টেকৰ গুৰুত্বত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ছেপ্তেম্বৰত হ'বলগীয়া আসন্ন বিমষ্টেক শীৰ্ষ সন্মিলনৰ বাবে থাইলেণ্ডলৈ ভাৰতৰ পূৰ্ণ সমৰ্থন প্ৰকাশ কৰে।

000000000

কেন্দ্ৰীয় উত্তৰ পূৰ্বাঞ্চল উন্নয়ন আৰু যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক দেশৰ প্ৰগতিৰ প্ৰৱেশ দ্বাৰ হিচাপে গণ্য কৰে আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰীৰ এই দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে। দুদিনীয়া মেঘালয় আৰু অসম ভ্ৰমণলৈ অহা মন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰই উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ বাবে বাজেটত আবণ্টিত ধনৰ পৰিমাণ ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে। তেওঁ কয় যে, উত্তৰ পূৰ্বাঞ্চল আমাৰ প্ৰাচীন সংস্কৃতিৰ ভাণ্ডাৰ স্বৰূপ আৰু কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত তথা বিকশিত উত্তৰ পূৰ্বাঞ্চল দৃষ্টিভংগী অনুযায়ী আন্তঃগাঁথনি, যোগাযোগ, স্বাস্থ্য সেৱা, শিক্ষা, ষ্টাৰ্ট-আপ, উদ্যমশীলতা আৰু পৰ্য্যটনৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ বিভিন্ন প্ৰকল্প আৰু উদ্যমৰ প্ৰগতিৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে আজি উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয় উত্তৰ পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ সৈতে শ্বিলঙৰ নংগ্ৰীম হিলছস্থিত উত্তৰ পূব পৰিষদ সচিবালয়ত এখন পৰ্য্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত উত্তৰ পূব পৰিষদৰ ভৱিষ্যৎ পৰিকল্পনা-২০৪৭ সন্দৰ্ভত উপস্থাপন কৰা হ'ব আৰু এন-ই-আৰ-এ-চি-ই নামৰ এটা এপ মুকলি কৰা হ'ব। এন-ই-আৰ-এ-চি-ই এটা একীকৃত ডিজিটেল মঞ্চ। গোলকীয় বজাৰৰ সৈতে খেতিয়কসকলৰ যোগসূত্ৰ স্থাপন কৰা এই মঞ্চই পোনপটীয়া লেন-দেন আৰু দৰ-দাম সম্ভৱ কৰি তোলে। এপটোত ইংৰাজী, হিন্দী, অসমীয়া, বাংলা, নেপালী, খাচী, মিজো আৰু মণিপুৰী ভাষাৰ হেল্পলাইন সন্নিৱিষ্ট কৰা হৈছে। এপটোৱে খেতিয়ক তথা বিক্ৰেতাসকলক সংযুক্ত কৰি উত্তৰ পূৰ্বাঞ্চলত কৃষি যোগাযোগ উন্নত কৰাত সহায় কৰিব। শ্ৰীসিন্ধিয়াই কাইলৈ গুৱাহাটীৰ উত্তৰ পূব উন্নয়ন বিত্ত নিগম লিমিটেড ভৱন পৰিদৰ্শন কৰিব আৰু বিষয়াসকলৰ সৈতে অঞ্চলটোত উদ্যমশীলতা তথা ষ্টাৰ্ট-আপৰ প্ৰসাৰৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰিব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, দেশত ইতিবাচক শাসনৰ বাবেই বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে বৃহৎ পৰিৱৰ্তনৰ সূচনা হৈছে। মুম্বাইৰ নৰ্চি মোঞ্জি ব্যৱস্থাপনা অধ্যয়ন প্ৰতিষ্ঠানত আয়োজিত এটা অনুষ্ঠানত সৱল ভাৰতঃ ২০৪৭ চনলৈকে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ ভূমিকা সন্দৰ্ভত মুখ্য ভাষণ প্ৰদান কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। শ্ৰীধনখড়ে কয় যে, সম্প্ৰতি দেশত সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু জৱাবদিহি হৈ উঠিছে। তেওঁ কয় যে, এনে সিদ্ধান্তৰ বাবেই দেশৰ অৰ্থ ব্যৱস্থাত চকুত লগা ধৰণৰ বিকাশ পৰিলক্ষিত হৈছে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ১৯৯০ চনত দেশৰ অৰ্থ ব্যৱস্থাৰ পৰিধি লণ্ডন আৰু পেৰিছৰ দৰে চহৰতকৈও সৰু আছিল আৰু সম্প্ৰতি ভাৰতৰ অৰ্থ-ব্যৱস্থাই ব্ৰিটেইন আৰু ফ্ৰান্সকো চেৰ পেলাবলৈ সমৰ্থ হৈছে। বিশ্ব বেংকে ভাৰতবৰ্ষক বিনিয়োগ আৰু সুযোগৰ আকৰ্ষণীয় গোলকীয় কেন্দ্ৰ হিচাপে অভিহিত কৰা বুলি শ্ৰীধনখড়ে উল্লেখ কৰে। তেওঁ কয় যে, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আই এম এফে অন্য ৰাষ্ট্ৰৰ আৰ্হি হিচাপে দেশৰ ডিজিটীয় প্ৰক্ৰিয়াৰ প্ৰশংসা কৰিছে।

০০০০০০০০০

চৰকাৰে প্ৰতি বছৰে ২৫ জুনৰ দিনটো সংবিধান হত্যা দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ১৯৭৫ চনৰ এই দিনটোতে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশৰ জৰুৰীকালীন অৱস্থা বলবৎ

কৰিছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি সামাজিক মাধ্যমযোগে কয় যে, অত্যাচাৰী চৰকাৰৰ হাতত আতিশায্যৰ সন্মুখীন হোৱা সত্ত্বেও দেশত গণতন্ত্ৰ বাহাল কৰাৰ বাবে সংঘৰ্ষত ব্ৰতী হোৱা লাখ লাখ লোকৰ ভাৱনাৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে, সংবিধান হত্যা দিৱস পালনে ব্যক্তিগত স্বাধীনতাৰ স্বাশ্বত বন্তি বৰ্তাই ৰখাত সহায় কৰিব আৰু দেশত গণতন্ত্ৰ ৰক্ষা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধান হত্যা দিৱসে সংবিধান ভৰিৰে মোহাৰি পেলোৱাৰ সেই সময়ত দেশত কি হৈছিল, সেই কথা সোঁৱৰাই দিব। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, এই দিনটো ভাৰতীয় ইতিহাসত ক'লা অধ্যায়স্বৰূপ জৰুৰীকালীন অৱস্থাৰ সময়ত জীয়াতু ভোগা প্ৰতিগৰাকী ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ দিন হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ মহাৰাষ্ট্ৰৰ মুম্বাইলৈ যাব। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে গোৰেগাঁৱৰ NESCO প্ৰদৰ্শনী কেন্দ্ৰত ২৯ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, ৰে'লৰে আৰু বন্দৰ খণ্ডৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। বিয়লিৰ ভাগত শ্ৰীমোদীয়ে আই এন এছ টাৱাৰ মুকলি কৰাৰ বাবে ইণ্ডিয়ান নিউজ ছাৰ্ভিচ ছেক্ৰেটেৰিয়েট ভ্ৰমণ কৰিব।

০০০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে দিল্লীৰ আৱকাৰী নীতি কেলেংকাৰীৰ সৈতে জড়িত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ জামিনক লৈ আম আদমী পাৰ্টীয়ে  জনসাধাৰণ আৰু সংবাদ মাধ্যমক বিপথে পৰিচালিত কৰাৰ অভিযোগ তুলিছে। বিজেপি নেতা বাঞ্চুৰী স্বৰাজে কয় যে, ই ডিৰ গোচৰত উচ্চতম ন্যায়ালয়ে কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰিলে এয়া আপৰ জয় নহয়। এই গোচৰত যে কেজৰিৱাল অভিযুক্ত সেই সন্দৰ্ভত ই ডিৰ হাতত পৰ্য্যাপ্ত প্ৰমাণ আছে। লগতে নেতাগৰাকীয়ে কয় যে, এই সন্দৰ্ভত ই ডিৰ হাতত যথেষ্ট প্ৰমাণ আছে বুলিও উচ্চতম ন্যায়ালয়ে মানি লৈছে। ইফালে, আম আদমী পাৰ্টীয়ে উচ্চতম ন্যায়ালয়ৰ এই ৰায়ক ঐতিহাসিক ৰায়দান বুলি অভিহিত কৰিছে। ৰায়দানৰ পাছতে আম আদমী পাৰ্টীৰ মুখপাত্ৰ সন্দীপ পাঠকে সংবাদ মাধ্যমৰ আগত  এই গোচৰটো বিজেপি চৰকাৰেহে সৃষ্টি কৰিছে বুলি কৈছে। তেওঁ লগতে এই গোচৰটোক উচ্চতম ন্যায়ালয়ে খাৰিজ কৰিছে বুলি উল্লেখ কৰে।

০০০০০০০০০

কৰ্ণাটকত আজিও ৫ খন নিশ্চয়তা আঁচনি ৰূপায়ণৰ বাবে অনুসূচিত জাতি উপ পৰিকল্পনা আৰু জনজাতীয় উপ পৰিকল্পনাৰ পুঁজি অন্য কামত ব্যৱহাৰ কৰাৰ ঘটনাক লৈ চৰকাৰৰ ওপৰত আক্ৰমণ অব্যাহত আছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে অভিযোগ কৰে যে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণমূলক পুঁজিসমূহৰ অপ-ব্যৱহাৰ কৰা হৈছে, যিয়ে সংবিধান উলংঘা কৰিছে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে উপ পৰিকল্পনাৰ পৰা ১৪ হাজাৰৰ কোটি টকাৰো অধিক ধন অন্য কামত ব্যৱহাৰ কৰাৰ বাবে সিদ্ধান্ত লৈছে। সাংসদগৰাকীয়ে কংগ্ৰেছ চৰকাৰে ৰাজ্যখনৰ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰাৰ অভিযোগ তোলাৰ লগতে তেওঁলোকৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ধনৰাশি আন কোনো কামত ব্যৱহাৰ কৰাৰো অভিযোগ তুলিছে। সাংসদগৰাকীয়ে এই

বিষয়টোক লৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ৰাষ্ট্ৰীয় আয়োগেও এই বিষযটোক লৈ কৰ্ণাটক চৰকাৰৰ পৰা প্ৰতিবেদন বিচাৰিছে।

oooooooooo

সমাপ্ত